**Report on Training cum Awareness Programme on PPV & FR organized by CHF, Pasighat, Arunachal Pradesh on 27-02-2026**

A Training cum Awareness Programme on Protection of Plant Varieties and Farmers Rights was organized by College of Horticulture & Forestry (CHF), Central Agricultural University, Pasighat, Arunachal Pradesh at the college Auditorium on 27-02-2026.







The Programme were attended by Shri Tapi Darrang, Hon'ble MLA of 38- Pasighat LAC, Arunachal Pradesh as Chief Guest ;Dr. S.K. Yadav, Principal Scientist & Nodal Officer, AICRN-PC, ICAR-NBPGR, New Delhi and Dr. A.C. Sharma, Deputy Registrar, Guwahati as Guest of Honour. Dr. L. Wangshu, Dean, Dr. A Herojit Singh and Dr. Prankanu Debnath, Professors CAU, Pasighat attended the programme. Few teachers and students of the college also attended the programme.

More than 200 farmers (mostly women) from Upper Siang, East Siang and Lower Dibang Valley of Arunachal Pradesh and few farmers from nearby Dhemaji district of Assam attended the programme.





A detailed presentation on PPV & FR Act, 2001 was done by Dr. A.C. Sharma, Deputy Registrar. The farmers were also explained the registration process and the queries of the farmers were answered.



Dr. S.K. Yadav, Principal Scientist & Nodal Officer, AICRN-PC, ICAR-NBPGR, New Delhi delivered his presentation on Varietal Protection of NEH Region. He also requested the farmers and farming communities to come forward for registration.

Dr. L. Wangshu, Dean, CHF, Pasighat presented his presentation on “Conservation of Native Horticultural Crops”, while Dr. Tisu Tayeng, Assoc. Prof. presented her lecture on “Concept and Scope of Biodiversity Protection.”

An exhibition showcased traditional germplasms of rice, maize, millet, soybean, ginger and other crops. The three best exhibitors were also awarded by Shri Tapi Darrang, Hon’ble MLA of 38- Pasighat LAC, Arunachal Pradesh.





The event was covered by local press and electronic media.





The News was published in largely circulated Assamese Daily “Dainik Janambhumi” in its issue on 01-03-2026



কৃষকৰ উৎপাদিত-সংৰক্ষিত জাতসমূহৰ সুৰক্ষাৰ সন্দৰ্ভত আলোকপাত

# পাছিঘাটত ‘উদ্ভিদ জাত সংৰক্ষণ, কৃষকৰ অধিকাৰ আইন’ বিষয়ক প্ৰশিক্ষণ, সজাগতা কাৰ্যসূচী

**জোনাই** ঃ এজন সংবাদদাতা, ২৮ ফেব্ৰুৱাৰী ঃ অৰুণাচল প্ৰদেশৰ পাছিঘাটস্থিত চেণ্ট্ৰেল এগ্ৰিকালচাৰেল ইউনিভাৰ্ছিটিৰ (ইম্ফল) অন্তৰ্গত কলেজ অব্ হৰ্টিকালচাৰ এণ্ড ফৰেষ্ট্ৰীৰ প্ৰেক্ষাগৃহত ‘উদ্ভিদ জাত শস্য সংৰক্ষণ আৰু কৃষকৰ অধিকাৰ আইন’ বিষয়ক এদিনীয়া ১৩ *পিঠিলৈ*



জাতিৰ আৱেগ, সমাজৰ বিবেক

দৈনিক জনমভূমি

Date 01 Mar, 2026 - Dainik Janambhumi - 13

Image

# পাছিঘাটত ‘উদ্ভিদ জাত...’

প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী শুকুৰবাৰে সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীৰ সহযোগিতা কৰে নতুন দিল্লীৰ Protection of Plant Varieties and Farmers Rights Authority (PPV&FRA)য়ে। চি এইচ এফৰ পাচিঘাটৰ ডীন প্ৰফেছাৰ এল ৱাংচুৱে আদৰণী ভাষণত কৃষকৰ অধিকাৰ সুৰক্ষা, স্থানীয় উদ্ভিদ জাতৰ শস্য সংৰক্ষণ আৰু পঞ্জীয়নৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। কাৰ্যসূচীৰ মুখ্য আয়োজক সচিব প্ৰফেছাৰ পি দেবনাথে কাৰ্যসূচীৰ উদ্দেশ্য, তাৎপৰ্য আৰু মূল কাৰ্যসূচীৰ ৰূপৰেখা দাঙি ধৰি কৃষক আৰু সংশ্লিষ্ট অংশীদাৰসকলৰ বাবে ইয়াৰ প্ৰাসংগিকতাৰ বিষয়ে ব্যাখ্যা কৰে। চি এইচ এফৰ অধ্যাপক প্ৰফেছাৰ এ হেৰোজিত সিঙে কৃষকৰ উৎপাদিত আৰু সংৰক্ষিত জাতসমূহৰ সুৰক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোকপাত কৰাৰ লগতে PPV&FRA-ৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰে। PPV&FRA, নতুন দিল্লীৰ উপ-পঞ্জিয়ক ডাঃ অতুল চন্দ্ৰ শৰ্মা, মুখ্য বিজ্ঞানী তথা ন'ডেল বিষয়া, AICRN-PC, ICAR-NBPGR-ৰ ডাঃ এছ কে যাদৱে মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষকৰ উদ্ভিদ জাত সংৰক্ষণত আইনৰ প্ৰয়োজনীয়তা, পঞ্জীয়ন প্ৰক্ৰিয়া আৰু ভাৰতবৰ্ষত, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চল (এন ই এইচ অঞ্চল)ত জাত উন্নয়ন কাৰ্যসূচীৰ বৰ্তমান অৱস্থাৰ সম্পৰ্কে বিস্তৃতভাৱে তেওঁৰ ভাষণত আগবঢ়ায়। ইয়াৰ উপৰি সহযোগী অধ্যাপক তথা এফ বি এণ্ড টি আই বিভাগৰ মুৰব্বী ডাঃ টি টায়েঙে জীৱবৈচিত্ৰ্য সংৰক্ষণৰ পৰিসৰ সম্পৰ্কে ভাষণ দি কৃষকসকলৰ সৈতে মত-বিনিময় কৰে। ডাঃ বিক্ৰম সিঙেও জনজাতীয় বন ব্যৱস্থাপনা পদ্ধতি আৰু বৌদ্ধিক সম্পত্তি অধিকাৰ সুৰক্ষাৰ বাবে নথিভুক্ত কৰা পৰম্পৰাগত জ্ঞানৰ গুৰুত্ব সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। আনহাতে, ৩৮নং পাচিঘাট বিধানসভা সমষ্টিৰ বিধায়ক তাপি দাৰাঙে কাৰ্যসূচীত অংশগ্ৰহণ কৰি কৃষকসকলৰ সৈতে মত-বিনিময়ত স্থানীয় উদ্ভিদ জাতৰ শস্য সংৰক্ষণ, সুৰক্ষা আৰু পঞ্জীয়নৰ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ ভৱিষ্যতেও এনে সচেতনতা কাৰ্যসূচীত সক্ৰিয়ভাৱে সকলোকে অংশগ্ৰহণ কৰিবলৈ কৃষকসকলক উৎসাহ যোগায়। কাৰিকৰী অধিৱেশনসমূহত দেশীয় উদ্যানশস্য সংৰক্ষণ, জীৱবৈচিত্ৰ্য সুৰক্ষা আৰু জিনগত সম্পদৰ নথিভুক্তকৰণ আদি গুৰুত্বপূৰ্ণ বিষয় সামৰি এই কাৰ্যসূচীত আলোচনা কৰা হয়। অনুষ্ঠানৰ শেষত কেইবাগৰাকীও কৃষকক মানপত্ৰসহ বিশেষ পুৰস্কাৰ বিতৰণ, প্ৰদৰ্শনী ষ্টল পৰিদৰ্শন আৰু কৃষি উপকৰণ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই এদিনীয়া প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰ আপাৰ চিয়াং, চিয়াং, পূব চিয়াং আৰু লোৱাৰ দিবাং ভেলী জিলাৰ লগতে অসমৰ ধেমাজি জিলাৰ পৰা ২০০ৰো অধিক কৃষকে এই কাৰ্যসূচীত সক্ৰিয় অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি চি এইচ এফ পাচিঘাটৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়েও উপস্থিত থাকে।

✠✠✠✠✠